**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-07-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰিটেইন আৰু মালদ্বীপৰ চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ইতিমধ্যে ৰাওনা হৈছে।

২। বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

৩। ভাৰতে সীমান্তৰে চলা সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা কৰা দেশসমূহক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আহ্বান জনাইছে।

৪। ভাৰতীয় অৰ্থব্যৱস্থা ৬ দশমিক ৫ শতাংশৰ মুঠ ঘৰুৱা উৎপাদনেৰে ২০২৫ বৰ্ষত গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা হৈ থকাৰ সম্ভাৱনা আছে। আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজি অ’ল্ড ট্ৰেফ’ৰ্ডত আৰম্ভ হ’ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰিটেইন আৰু মালদ্বীপৰ চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ইতিমধ্যে ৰাওনা হৈছে। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদী ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰ আৰু ৰজা তৃতীয় চাৰ্লছক সাক্ষাৎ কৰিব। দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ আমন্ত্ৰণ মৰ্মে ২৫ জুলাইত দেশখনত উপস্থিত হ’ব। প্ৰধানমন্ত্ৰীয়ে এই দুদিনীয়া ভ্ৰমণকালত উভয় দেশৰ ব্যৱসায়ী জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰিব।

0000000

বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন বিষয়ক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি লোকসভা আৰু ৰাজ্যসভাৰ  কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। কাৰ্যক্ৰমণিকা প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধীপক্ষৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাত বিশেষ সংশোধন আৰু বিভিন্ন বিষয় লৈ আলোচনাৰ বাবে দাবী জনাই  ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ সংশোধনৰ প্ৰক্ৰিয়া প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ৰাষ্ট্ৰীয় ক্ৰীড়া পৰিচালন বিধেয়ক-২০২৫ আৰু ৰাষ্ট্ৰীয় ডপিং প্ৰতিৰোধী সংশোধনী বিধেয়ক-২০২৫ সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সন্ধ্যা ৰয়ে শূণ্য কালৰ কাম-কাজ আগবঢ়াই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী একাংশ সাংসদে ধ্ববনি দি সদনৰ মজিয়ালৈ উঠি যায়। শ্ৰীমতী ৰয়ে বিৰোধী পক্ষই উত্থাপন কৰা বিষয়সমূহক লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি উল্লেখ কৰে যদিও তেওঁলোকে সদনৰ কাম-কাজ ব্যাহত কৰে। অচলাৱস্থা দূৰ নোহোৱাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ আগেয়ে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকালৰ কাম আৰম্ভ কৰে যদিও বিৰোধী পক্ষৰ সদস্যসকলে বিহাৰত ভোটাৰ তালিকাত বিশেষ সংশোধন আৰু অন্যান্য বিষয়লৈ আলোচনাৰ দাবী জনাই ধ্ববনি দিবলৈ ধৰে। লোকসভাৰ অধ্যক্ষই প্ৰশনকালৰ কাম-কাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ আহ্বান জনাই যদিও তেওঁ চেষ্টা অথলে যায়। শ্ৰী বিৰলাই সদনৰ কাম-কাজ বিঘ্নিত কৰা আৰু সদনৰ মজিয়াত প্লে কাৰ্ড প্ৰদৰ্শন কৰাক লৈ উদ্বেগ প্ৰকাশ কৰে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বিহাৰৰ ৰে'ল প্ৰকল্প সন্দৰ্ভত সুধা এটা প্ৰশ্নৰ উত্তত দিয়ে। সেই সময়তো বিৰোধী পক্ষৰ সাংসদসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত উচ্চ সদনতো অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা চলাই দযিও বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ নিজৰ দাবীৰ সমৰ্থনত ধ্ববনি দি সদন উত্তাল কৰি তোলে। শ্ৰীতিৱাৰীয়ে প্ৰশ্নকাল চলাই নিয়াত সহায় কৰিবলৈ সদস্যসকলৰ প্ৰতি আহ্বান জনাই

যদিও তেওঁৰ চেষ্টা বিফল হয়। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে শ্ৰীতিৱাৰীয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্য দাবীৰ বিষয়ে আলোচনা কৰিবলৈ হেচা প্ৰয়োগ কৰে। তেওঁলোকে নিজৰ দাবী সম্পৰ্কে সভাস্থগিতকৰণৰ জাননী দিয়ে যদিও উপসভাপতি হৰিবংশে সভাপতিয়ে ইতিপূৰ্বে দিয়া নিৰ্দেশৰ দোহাইদি এই জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছত বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

0000000

ভাৰতে সীমান্তৰে চলা সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা ৰাষ্ট্ৰসমূহক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ আহ্বান জনাইছে ।  ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কয় যে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ প্ৰসাৰৰ বাবে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাকে ধৰি কিছুমান মৌলিক নীতিক মানি চলাটো অত্যন্ত প্ৰয়োজনীয়।  তেওঁ  ভাৰতৰ গণতন্ত্ৰ আৰু উন্নয়নৰ আৰ্হিৰ  বিপৰীতে পাকিস্তানক ধৰ্মান্ধতাত ডুব যোৱা এখন ধাৰাবাহিক ঋণগ্ৰহণকাৰী ৰাষ্ট্ৰ বুলি অভিহিত কৰে।

বহুপক্ষীয়তাবাদ আৰু বিবাদৰ শান্তিপূৰ্ণ নিষ্পত্তিৰ ওপৰত পৰিষদৰ মুকলি বিতৰ্কত ভাষণ দি শ্ৰী হৰিছে কয় যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানৰ প্ৰত্যক্ষ অনুৰোধৰ পিছত অপাৰেচন সিন্দুৰ স্থগিত ৰখা হৈছিল।  আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মধ্যস্থতা সম্পৰ্কীয় দাবী নাকচ কৰি ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধিয়ে কয় যে এই অভিযান প্ৰাথমিক লক্ষ্যত উপনীত হোৱাৰ পিছত  পাকিস্তানৰ অনুৰোধত স্থগিত ৰখা হৈছিল।

হৰিশে পুনৰ কয় যে যুদ্ধবিৰতিৰ বাবে আমেৰিকাৰ কোনো মধ্যস্থতা বা বাণিজ্যিক চুক্তি জড়িত নাছিল। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ৰাষ্ট্ৰপতি ট্ৰাম্পৰ মাজত হোৱা টেলিফোনিক বাৰ্তালাপৰ কথাও উল্লেখ কৰে, য'ত প্ৰধানমন্ত্ৰী মোদীয়ে এনে কোনো চুক্তি বা মধ্যস্থতা নাই বুলি স্পষ্ট কৰি দিছিল।

তেওঁ কয় যে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু পাকিস্তানৰ শীৰ্ষ সামৰিক বিষয়াইও নিশ্চিত কৰিছে যে পাকিস্তানৰ সামৰিক নেতৃত্বৰ প্ৰত্যক্ষ অনুৰোধৰ পিছত যুদ্ধবিৰতি আৰম্ভ কৰা হৈছিল।

সিন্ধু জল সন্ধিৰ ওপৰত হৰিছে স্পষ্ট কৰি দিয়ে যে পাকিস্তানে সন্ত্ৰাসবাদৰ প্ৰতি সমৰ্থন বন্ধ নকৰালৈকে ইয়াক স্থগিত ৰখা হৈছে

0000000

ভাৰতীয় অৰ্থব্যৱস্থা ৬ দশমিক ৫ শতাংশৰ মুঠ ঘৰুৱা উৎপাদনেৰে ২০২৫ বৰ্ষত গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা হৈ থকাৰ সম্ভাৱনা আছে। এচিয় বিকাশ বংকে আজি জাৰি কৰা প্ৰতিবেদন অনুসৰি শক্তিশালী ঘৰুৱা চাহিদা, স্বাভাৱিক বৰষুণ আৰু ধনৰ যোগান বৃদ্ধি তথা সুদৰ হাৰ হ্ৰাস কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে গ্ৰহণ কৰা ব্যৱস্থাৰ বাবেই ভাৰত দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থাসমূহৰ অন্যতম ৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। প্ৰতিবেদনখনত ভাৰতীয় ৰিজাৰ্ভ বেংকে পূৰ্বানুমান কৰাৰ দৰে ২০২৫ বৰ্ষৰ বাবে মুদ্ৰাস্ফীতি ৩ দশমিক ৮ শতাংশ আৰু ২০২৬ বৰ্ষৰ বাবে ৪ দশমিক শূণ্য শতাংশৰ ভিতৰত থকা সম্ভাৱনা আছে। বিভিন্ন খাদ্য সামগ্ৰীৰ মূল্যৰ নিম্নমুখী গতিয়ে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ ৰখাত সহায় কৰিছে। উল্লেখযোগ্য যে দেশত যোৱা জুনত উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি ২ দশমিক ১ শতাংশলৈ হ্ৰাস পাইছে। এই পৰিমাণ বিগত ছয় বছৰৰ ভিতৰত আটাইতকৈ কম।

0000000

ভাৰতৰ উন্নয়ন, শৈক্ষিক প্ৰসাৰ, আৰু সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত সম্প্ৰচাৰৰ গুৰুত্বপূৰ্ণ ভূমিকাক শক্তিশালী কৰিবলৈ আজি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে। ১৯২৭ চনৰ আজিৰ দিনটোতে ভাৰতীয় সম্প্ৰচাৰ কোম্পানীৰ অধীনত বম্বে ষ্টেচনৰ পৰা দেশত প্ৰথমবাৰৰ বাবে অনাতাঁৰ সম্প্ৰচাৰ আৰম্ভ হয়। ১৯৩৬ চনৰ ৮ জুন তাৰিখে ভাৰতীয় ৰাজ্যিক সম্প্ৰচাৰ সেৱাৰ নাম অল ইণ্ডিয়া ৰেডিঅ' ৰখা হয় আৰু পিছলৈ ইয়াৰ নাম আকাশবাণী হয়। আকাশবাণীয়ে বছৰ বছৰ ধৰি ব্যাপক প্ৰসাৰতাৰে সকলো শ্ৰোতাৰ মাজত নিজৰ এটা সুকীয়া স্থান গঢ়ি তুলিছে। স্বাধীনতা সংগ্ৰামৰ সময়ত তথ্য প্ৰচাৰ আৰু ঐক্য গঢ়ি তোলাৰ স্বাৰ্থত , ৰেডিঅ’ জনসাধাৰণৰ মাজলৈ যোৱাৰ এটা শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হয়। স্বাধীনতাৰ পিছত এই মাধ্যমে বিশেষকৈ গ্ৰাম্য অঞ্চলত সাক্ষৰতা, স্বাস্থ্য সজাগতা, কৃষি জ্ঞানৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈ পৰিছিল।

এই উপলক্ষে ভাষণ দি প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেহগালে কয় যে বছৰ বছৰ ধৰি শিক্ষা, তথ্য আৰু মনোৰঞ্জনৰ ক্ষেত্ৰত আকাশবাণীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে অহা বছৰ আকাশবাণীয়ে **ৰাষ্ট্ৰৰ কণ্ঠ হিচাপে ৯০ বছৰ** উদযাপন কৰিব বুলিও উল্লেখ কৰে ।

প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কয় যে ৯০ বছৰীয়া ৰাষ্ট্ৰীয় ঐতিহ্য হিচাপে আকাশবাণী এতিয়াও শক্তিশালী ৰূপত আগবাঢ়ি আছে ।

০০০০০০০

মণিপুৰৰ যশস্বী নাট্যকাৰ, নাট পৰিচালক, সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত ৰতন থিয়ামৰ আজি পুৱতি নিশা ইম্ফলৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। ভাৰতীয় নাট্য সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়োৱা নাট্যকাৰগৰাকীয়ে সমসাময়িক প্ৰেক্ষাপটত প্ৰাচীন ভাৰতীয় ঐতিহ্যক আধাৰ হিচাপে লৈ নাট ৰচনা আৰু মঞ্চস্থ কৰিছিল।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজি অ'ল্ড ট্ৰেফ'ৰ্ডত আৰম্ভ হ'ব। শৃংখলাটোত আলহী দলটো ১-২ ৰ ব্যৱধানত পিছপৰি আছে। বাৰ্মিংহাম টেষ্টত ১০ টা উইকেট দখল কৰা আকাশদীপে চতুৰ্থ টেষ্টত আঘাতৰ বাবে অংশগ্ৰহণ কৰিব নোৱাৰে। নীতিশ কুমাৰ ৰেড্ডিকো আঘাতৰ বাবে দলৰ পৰা বাহিৰত ৰখা

০০০০০০০